# Joint Press Release of the 7th Round of India-China Military Commander-Level Meeting

October 13, 2020

---

# 7ম ভাৰত- চীন সামৰিক কমাণ্ডৰ পৰ্যায়ৰ  বৈঠকৰ যুটীয়া প্ৰেছ বিজ্ঞপ্তি

অক্টোবৰ  13, 2020

12 অক্টোবৰ 2020 তাৰিখে চুছুলত 7ম ভাৰত আৰু চীনৰ সামৰিক কমাণ্ডৰ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। দুয়ো পক্ষই ভাৰত-চীন সীমান্তৱৰ্তী এলেকাৰ পশ্চিম চেক্টৰত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ পৰা সেনাবাহিনীৰ প্ৰত্যাহাৰৰ সন্দৰ্ভত আন্তৰিক, স্পষ্ট আৰু গঠনমূলক মত বিনিময় কৰে। তেওঁলোকে মতামত দিছিল যে এই আলোচনাসমূহ ইতিবাচক, গঠনমূলক আছিল আৰু এজনে আনজনৰ স্থিতিসমূহৰ সম্পৰ্কে বোধগম্যতা বঢ়াই তুলিছিল। দুয়ো পক্ষই সামৰিক আৰু কূটনৈতিক চেনেলৰ মাধ্যমেৰে আলোচনা আৰু যোগাযোগ বজাই ৰাখিব আৰু শীঘ্ৰেই সেনাবাহিনী প্ৰত্যাহাৰ সন্দৰ্ভত এক পাৰস্পৰিক গ্ৰহণযোগ্য সমাধানত উপনীত হব বুলি সহমত পোষণ কৰে। দুয়ো পক্ষই দুয়োখন দেশৰ নেতাসকলৰ মাজত হোৱা বুজাবুজিক একাগ্ৰতাৰে কাৰ্যকৰী কৰিব, মত পাৰ্থক্যক যাতে বিতৰ্কলৈ পৰিণত হবলৈ নিদিয়ে আৰু সীমান্ত অঞ্চলত শান্তি আৰু সমৃদ্ধি বজাই ৰখাৰ ক্ষেত্ৰত যুটীয়াভাৱে কাম কৰি যাব।

**নতুন দিল্লী**
**অক্টোবৰ 13, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.